# ড° ভূপেন হাজৰিকাৰ জন্ম শতবর্ষৰ সামৰণী অনুষ্ঠান

## যোৰহাট মহাবিদ্যালয়ত

'আমাৰ অসম'ৰ যোৰহাটৰ ষ্টাফ ৰিপর্টাৰ, ৮ ছেপ্টেম্বৰ ঃ যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ 'আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ'ৰ সহযোগত আজি বিশ্ববন্দিত শিল্পী, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম-শতবর্ষৰ সামৰণী অনুষ্ঠান বর্ণিল কার্যসূচীৰে উদযাপন কৰা হয়। অধ্যাপক ড° জ্যোতির্ময় বৰদলৈয়ে পৰিচালনা কৰা এই অনুষ্ঠানত শিল্পীজনৰ স্মৰণত প্রথমে এগছি বস্তি প্রজ্জ্বলন কৰে উপাধ্যক্ষ উৎপল দত্তই। ইয়াৰ পাছতে অনুষ্ঠানত অসমীয়া বিভাগৰ ছাত্র-ছাত্রীসকলে এটি আদৰণী গীত পৰিবেশন কৰে। অনুষ্ঠানত আদৰণী ভাষণ প্রদান কৰে আইকিউএচি-ৰ সমন্বয়ক ড° গীতার্থ গোস্বামীয়ে। অনুষ্ঠানত মূল বক্তব্য প্রদান কৰে উপাধ্যক্ষ উৎপল দত্তই। ভাষণ প্রসংগত তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাৰ পদাংক অনুসৰণ কৰি কিদৰে ড° হাজৰিকাই এক বিশাল সাংস্কৃতিক ব্যক্তিত্ব গঢ়ি তুলিছিল তাৰ এক ব্যাখ্যা দাঙি ধৰে আৰু কয় যে তেওঁ পৰৱর্তী কালৰ শিল্পীসকলৰ বাবে হৈ পৰিল এক বিশেষ আদর্শ। তেওঁৰ সৃষ্টিৰাজি সময়ৰ বুকুত সদায় জিলিকি ৰ'ব। এই বক্তব্যৰ পাছতে কথা আৰু গীতেৰে মহান শিল্পীজনক স্মৰণ কৰে অধ্যাপিকা ড° মৌচুমী মহন্তই। ড° মহন্তই যাযাবৰী শিল্পীজনে জীৱনত বহু সংঘাত অতিক্রমি কৰা সংগীত সাধনাৰ কিছু খণ্ডিত চিত্রও কথাৰ মাজেৰে দাঙি ধৰে। অনুষ্ঠানত ভূপেন্দ্র সংগীত পৰিবেশন কৰে ক্রমে অধ্যাপকদ্বয় ড° জ্যোতির্ময় বৰদলৈ, ভাগ্যশীষ ভৰালী, ছাত্র বিনোদ শইকীয়া, বিভাস বৰুৱা আৰু নৱজ্যোতি ফুকনে। অধ্যাপিকা অনিমা নেওগে ড° ভূপেন হাজৰিকাৰ সংগীতৰ মহত্ত্ব আৰু সাহিত্যিক মূল্যৰ আলোকন কৰে। ছাত্রী সাধনা গন্ধীয়াই ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কর্মৰ এটি চমু পৰিচয় দাঙি ধৰি শিল্পীজনৰ এটি কবিতা আবৃত্তি কৰে। অধ্যাপক ড° তৰুণ লয়িঙে শলাগ জ্ঞাপন কৰা অনুষ্ঠানৰ শেষত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে...' শীর্ষক কালজয়ী গীতটো সকলোৱে একেলগে পৰিবেশন কৰে।